কৃষ্ণ ভূঞা আৰু চৰিত্ৰৰ মনোদ্বন্দ্বক ঘটনাৰ মাজেৰে প্ৰকাশ কৰিবলৈ যত্ন কৰা গল্পকাৰ মুনীন বৰকটকী আৱাহন যুগৰে — এই দুগৰাকী গল্পকাৰে প্ৰচুৰ সম্ভাৱনাৰে কলম হাতত তুলি লৈয়ে বৈ দিলে; তথাপি তাৰেই মাজেদি স্ব-বৈশিষ্ট্য প্ৰকাশ কৰি গ'ল। জমিৰুদ্দিন আহমদ, সুপ্ৰভা গোস্বামী, দীননাথ শৰ্মা এই যুগৰে উল্লেখযোগ্য গল্পকাৰ।

শিক্ষিত নগৰীয়া মধ্যবিত্তৰ ৰোমাণ্টিক কল্পনা, অবৈধ পৰকীয়া প্ৰেম, জৈৱিক আকাংক্ষা আৰু অন্তৰ্দ্বন্দৰ মুকলি প্ৰকাশেৰে বিষয় নিৰ্বাচনত, আৰু অলংকাৰ প্ৰচুৰতাৰে কাব্যগন্ধী ৰোমাণ্টিক প্ৰকাশভংগীত ৰমা দাসৰ আবিৰ্ভাৱ অসমীয়া চুটিগল্পৰ ইতিহাসত এটা উল্লেখযোগ্য পৰিৱৰ্তনৰ সূচক। দৰাচলতে পুৰণি মূল্যবোধৰ ভাঙন লক্ষ্মীনাথ শৰ্মা, আৰু ৰমা দাসৰ গল্পতে পৰিস্ফুট হৈ উঠিছে। অৱশ্যে শৰ্মাৰ গল্পত থকা সমাজ সচেতন দৃষ্টিভংগী ৰমা দাসৰ গল্পতে অনুপস্থিত। বৰং দাসে কেৱল জৈৱিক বাসনাৰে পূৰ্ণ যৌৱনৰ জয়গান গোৱাতে আৱদ্ধ থাকিল।

শৰ্মা আৰু দাসক পৰিশীলিত ৰূপত একলগে যেন দেখা পোৱা গ'ল মালিকৰ মাজত। এহাতে ৰোমাণ্টিক কল্পনা আৰু ভাবাদৰ্শ, আনহাতে সমাজ-সচেতন দৃষ্টিভংগী; এহাতে জীৱনৰ অভিজ্ঞতাই দান কৰা বাস্তৱতা, আনহাতে মনস্তত্ত্বৰ পোহৰত জিলিকি উঠা জীৱনৰ ভিতৰৰ চিত্ৰ — এই আটাইবোৰ বৈশিষ্ট্যই মালিকক কৰি তুলিলে গল্পকাৰ হিচাপে সুপ্ৰসিদ্ধ, সুপ্ৰতিষ্ঠিত। দৰাচলতে আৱাহন যুগৰ বহুতো বৈচিত্ৰ যিদৰে মালিকৰ মাজেদি প্ৰকাশিত হৈছে, সেইদৰে আৱাহনৰ পৰৱৰ্তী কালত গঢ়ি উঠা নতুন দৃষ্টিভংগীও মালিকৰ পৰৱৰ্তী গল্পসমূহত প্ৰকাশিত হৈছে। দুটা যুগৰ সাঁকোৰ দৰে থকা মালিকক বোধকৰোঁ সেইবাবেই সময়ৰ সহযাত্ৰী বুলিব পাৰি।

এইসকলৰ উপৰিও আৱাহনৰ পাতত বিচাৰিলেই আৰু বহুতো পুৰণি চিনাকিক যেন লগ পাই যাওঁ। সিসকলৰ ভিতৰত চিত্ৰভানু চৌধুৰী, হৰেন কলিতা, নিৰ্মলা দেৱী, সদানন্দ দাস আদিৰ নাম থাউকতে লৈ থ'ব পাৰি। এইসকল লেখকে বেছি গল্প লিখা নাছিল; কিন্তু যি লেখিছিল তাৰেই নিজা বৈশিষ্ট্য ৰাখি থৈ যাব পাৰিছিল। হয়তো তেওঁলোকে সাৰ্থক বৰঙণি যাচিছিল — সেই কথা আমাৰ গল্পৰ ইতিহাসৰ পুৰণি পৃষ্ঠাকেইটাত সদায় জিলিকি থাকিব।

****